জান্নাতত এটা বজাৰ আছে, য'ত তেওঁলোকে প্ৰত্যেক জুমুআৰ দিনা আগমন কৰিব

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "জান্নাতত এটা বজাৰ আছে, য'ত তেওঁলোকে প্ৰত্যেক জুমুআৰ দিনা আগমন কৰিব, সেই সময়ছোৱাত উত্তৰ ফালৰ পৰা এজাক বতাহ বলিব, যি বতাহ তেওঁলোকৰ মুখমণ্ডল আৰু কাপোৰ চুই যাব, ইয়াৰ ফলত তেওঁলোকৰ সৌন্দৰ্য্য আৰু অধিক বৃদ্ধি পাব। তেওঁলোকে যেতিয়া নিজৰ পৰিয়ালৰ ওচৰলৈ উভতি আহিব, তেতিয়া তেওঁলোকে এই অৱস্থাত উভতি আহিব যে, তেওঁলোকৰ সৌন্দৰ্য্য অধিক বৃদ্ধি পাইছে। সেই দেখি তেওঁলোকৰ পৰিয়ালবৰ্গই ক'বঃ আল্লাহৰ শপত! আপুনি আমাৰ ইয়াৰ পৰা যোৱাৰ পিছত আপোনাৰ সৌন্দৰ্য্য অধিক বৃদ্ধি পাইছে। তেতিয়া তেওঁলোকে ক'বঃ আল্লাহৰ শপত! মই যোৱাৰ পিছত তোমালোকৰো সৌন্দৰ্য্য অধিক বৃদ্ধি হৈছে।" [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, জান্নাতত বজাৰৰ দৰে এডোখৰ ঠাই নিৰ্ধাৰিত থাকিব, য'ত তেওঁলোকে একত্ৰিত হ'ব, কিন্তু তাত কিনা বেচা একো নহ'ব। তাত তেওঁলোকে প্ৰত্যেক সপ্তাহৰ মূৰত আগমন কৰিব। সেই সময়ছোৱাত উত্তৰ ফালৰ পৰা বতাহ বলিব, ফলত সেই বতাহে তেওঁলোকৰ মুখমণ্ডল আৰু কাপোৰ চুই যাব। ইয়াৰ ফলত তেওঁলোকৰ ৰূপ সৌন্দৰ্য্য আৰু অধিক বৃদ্ধি পাব। তেওঁলোকে তেওঁলোকৰ এই বৃদ্ধি পোৱা সৌন্দৰ্য্য লৈ যেতিয়া পৰিয়ালৰ ওচৰত উপস্থিত হ'ব, তেতিয়া তেওঁলোকৰ পৰিয়ালে তেওঁলোকক ক'বঃ আল্লাহৰ শপত! আপুনি ইয়াৰ পৰা যোৱাৰ পিছত আপোনাৰ সৌন্দৰ্য্য অধিক বৃদ্ধি পাইছে। তেতিয়া তেওঁলোকে ক'বঃ আল্লাহৰ শপত! তোমালোকৰো দেখোন সৌন্দৰ্য্য বহুত বৃদ্ধি পাইছে।

http://www.sunnah.global/hadeeth/as/show/8353